# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 12-12-2025
**Time :** 1910 hrs

## *Assamese Evening Bulletin*

## HEADLINES

১। সংসদৰ উভয় সদনৰ কাম-কাজ সোমবাৰ পৰ্যন্ত স্থগিত ৰখা হৈছে।

২। কেন্দ্ৰীয় মন্ত্ৰীসভাই ২০২৭ চনৰ লোকপিয়লৰ বাবে এহেজাৰ ৭১৮ কোটি টকাৰ বাজেটত অনুমোদন জনাইছে।

৩। বিত্ত মন্ত্ৰালয়ে বেংকিং, বিত্তীয় সেৱা আৰু বীমা খণ্ডৰ দাবী নিষ্পত্তি ব্যৱস্থাক অধিক শক্তিশালী কৰাৰ কথা ঘোষণা কৰিছে।

৪। অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ মন্ত্ৰালয়ে প্ৰধানমন্ত্ৰী বিশ্বকৰ্মা আঁচনিৰ অধীনত অনলাইন বজাৰৰ সুবিধা প্ৰদানৰ উদ্যেশ্যে এমাজনৰ সৈতে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে।

*আৰু*

৫। ডুবাইত অনুষ্ঠিত ১৯ বছৰ অনুৰ্ধৰ এছিয়া কাপৰ উদ্বোধনী খেলখনত সংযুক্ত আৰৱ আমিৰিৰ বিৰুদ্ধে ভাৰতে ২৩৪ ৰাণত জয়লাভ কৰিছে।

০০০০০

সংসদৰ উভয় সদনৰ কাম-কাজ সোমবাৰ পৰ্যন্ত স্থগিত ৰখা হৈছে। ৰাজ্যসভাত আজি দেশত ৰে'ল দুৰ্ঘটনা ৯০ শতাংশ হ্ৰাস পাইছে বুলি কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰিছে। ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কৈছে যে ২০০৪ৰ পৰা ২০১৪ চনলৈ দেশৰ এহেজাৰ ৭১১টা ৰে'ল দুৰ্ঘটনা সংঘটিত হোৱাৰ বিপৰীতে ২০২৪-২৫ বৰ্ষত ৩১টালৈ আৰু ২০২৫-২৬ বৰ্ষত ১১টালৈ হ্ৰাস পাইছে। ৰাজ্যসভাত আজি এটা লিখিত প্ৰশ্নৰ উত্তৰত শ্ৰীবৈষ্ণৱে কয় যে যাত্ৰীৰ সুৰক্ষা আৰু নিৰাপত্তা ৰে'ল বিভাগে অগ্ৰাধিকাৰ দিছে। তেওঁ কয় যে দুৰ্ঘটনা ৰোধ কৰাৰ বাবে সংবেদনশীল হিচাপে চিহ্নিত অঞ্চলত ৰে'ল কৰ্মী, ৰে'লৰে সুৰক্ষা বল, জি আৰ পি আৰু আৰক্ষীয়ে যুটীয়াভাৱে তহল দিয়াৰ ব্যৱস্থা কৰা হৈছে। শ্ৰীবৈষ্ণৱে কয় যে ডাঠ কুঁৱলী পৰা অঞ্চলত ইয়াৰ পৰা সুৰক্ষিত হ'বলৈ জি পি এছ আধাৰিত যন্ত্ৰৰ ব্যৱস্থা কৰা হৈছে। তেওঁ লগতে কয় যে লেভেল ক্ৰছিং গেটৰ সুৰক্ষাৰ বাবে এতিয়ালৈকে ১০ হাজাৰ গেটত ইণ্টাৰলকিঙৰ সুবিধা প্ৰদান কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰীসভাই ২০২৭ চনৰ লোকপিয়লৰ বাবে এহেজাৰ ৭১৮ কোটি টকাৰ বাজেটত অনুমোদন জনাইছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে ২০২৭ চনৰ লোকপিয়ল দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব। তেওঁ কয় যে এই লোকপিয়ল দেশৰ ষোড়শ লোকপিয়ল হ'ব আৰু স্বাধীনোত্তৰ ভাৰতৰ অষ্টম লোকপিয়ল হ'ব। তেওঁ কয় যে ভাৰতৰ লোকপিয়ল বিশ্বৰ ভিতৰতে প্ৰশাসনিক আৰু পৰিসাংখ্যিক অনুশীলন হিচাপে পৰিগণিত হৈছে। ২০২৭ চনৰ লোকপিয়লত জাতিগত গণনাও অন্তৰ্ভুক্ত কৰা হৈছে। শ্ৰীবৈষ্ণৱে কয় যে এই লোকপিয়ল দেশৰ প্ৰথমটো ডিজিটীয় লোকপিয়ল হ'ব। এনড্ৰইদ আৰু  আই অ' এছত উপলভ্য মোবাইল এপৰ জৰিয়তে তথ্যসমূহ সংগ্ৰহ কৰা হ'ব বুলি শ্ৰীবৈষ্ণৱে প্ৰকাশ কৰে। শ্ৰীবৈষ্ণৱে এই ক্ষেত্ৰত ৩০ লাখ কৰ্মীক জড়িত কৰা হ'ব বুলি প্ৰকাশ কৰিছে। এই লোকপিয়লে দেশৰ সমগ্ৰ জনগণক সামৰি ল'ব। এই প্ৰক্ৰিয়াত দেশৰ প্ৰতিটো পৰিয়াললৈ লৈ পৃথক প্ৰশ্নাৱলীৰে গৃহ আৰু জনসংখ্যাৰ গণনা কৰা হ'ব। কেন্দ্ৰীয় মন্ত্ৰীসভাই কয়লা সংযোগ আঁচনি, ক'ল সেতুৰ সংস্কাৰতো অনুমোদন জনায়। কয়লা খণ্ডত দেশ আত্মনিৰ্ভৰশীলতাৰ দিশে অগ্ৰসৰ হৈছে বুলিও তেওঁ প্ৰকাশ কৰে।

০০০০০

বিদ্যালয় শিক্ষা আৰু সাক্ষৰতা বিভাগে সুব্ৰমণিয়া ভাৰতীৰ জয়ন্তী উপলক্ষে আজি নতুন দিল্লীত ভাৰতীয় ভাষা উৎসৱ ২০২৫ উদযাপন কৰে। এই বছৰ বহুভাষা এটা আবেগক মূল বিষয়বস্তু হিচাপে লৈ এই উৎসৱ উদযাপন কৰা হৈছে বুলি শিক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত বিদ্যালয় শিক্ষা আৰু সাক্ষৰতা বিভাগৰ সচিব সঞ্জয় কুমাৰে অংশগ্ৰহণ কৰি সুব্ৰমণিয়া ভাৰতীৰ জীৱন আৰু আদৰ্শক স্মৰণ কৰাৰ লগতে স্বাধীনতা, সমাজ সংস্কাৰ আৰু বহুভাষিকতাৰ ক্ষেত্ৰত তেওঁৰ অৱদানৰ বিষয়ে উল্লেখ কৰে। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ বিষয়ে উল্লেখ কৰি তেওঁ শিক্ষাৰ্থী আৰু শিক্ষকসকলক বিভিন্ন ভাষাক আঁকোৱালি লৈ নিজৰ শব্দভাণ্ডাৰ বৃদ্ধি কৰাৰ লগতে অধিক স্পষ্টকৈ আৰু সুনিৰ্দিষ্টকৈ যোগাযোগ যাতে কৰিব পাৰে তাৰ প্ৰতি গুৰুত্ব দিবলৈ আহ্বান জনায়। দেশৰ বিদ্যালয়সমূহে যোৱা ৪ ডিচেম্বৰৰ পৰা সপ্তাহজোৰাকৈ এই দিৱস উদযাপন কৰিছে।

০০০০০

বিত্ত মন্ত্ৰালয়ে বেংকিং, বিত্তীয় সেৱা আৰু বীমা খণ্ডৰ দাবী নিষ্পত্তি ব্যৱস্থাক অধিক শক্তিশালী কৰাৰ কথা ঘোষণা কৰিছে। ইয়াৰ জৰিয়তে নাগৰিকসকলে এই খণ্ডকেইটাৰ বিৰুদ্ধে পোনপটীয়াকৈ ওজৰ-আপত্তি দাখিল কৰিব পাৰিব। ইয়াৰ জৰিয়তে বিত্তীয় খণ্ডৰ প্ৰতি উপভোক্তাৰ বিশ্বাস ৰক্ষা কৰাটো সহায়ক হ'ব। ৰাজহুৱা খণ্ডৰ বেংকসমূহৰ কৰ্মচাৰীসকলে উপভোক্তাক উন্নত মানৰ সেৱা আগবঢ়োৱাটো নিশ্চিত কৰিবলৈ ভইচ প্লেট্, ইমেইল, কিউ আৰ ক'ড আদিৰ জৰিয়তে গ্ৰাহকসকলৰ মতামত সংগ্ৰহ কৰাৰ ব্যৱস্থা উদ্ভাৱন কৰিবলৈ বেংকসমূহক পৰামৰ্শ দিয়া হৈছে। ইয়াৰ জৰিয়তে গ্ৰাহক আৰু প্ৰতিষ্ঠানৰ মাজৰ স্বচ্ছ যোগাযোগ বৃদ্ধিত গুৰুত্ব আৰোপ কৰি ওজৰ-আপত্তি নিষ্পত্তিৰ ব্যৱস্থাটো অধিক শক্তিশালী কৰি তুলিব পৰা যাব।

০০০০০

বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে প্ৰতিৰোধমূলক স্বাস্থ্য সেৱালৈ অহা পৰিৱৰ্তনে জৈৱ-উৎপাদন আৰু চিকিৎসা সামগ্ৰীৰ ক্ষেত্ৰত বিশ্ব প্ৰেক্ষাপটত ভাৰতৰ স্থান উন্নীত কৰিছে বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত ভাৰতীয় ভেষজ উদ্যোগৰ সপ্তম সন্মিলন আৰু জীৱ বিজ্ঞান শীৰ্ষ সন্মিলন ২০২৫ত অংশগ্ৰহণ কৰি তেওঁ এইদৰে কয়। শ্ৰীসিঙে কয় যে প্ৰতিৰোধমূলক স্বাস্থ্যসেৱাৰ ৰপ্তানিয়ে সামগ্ৰিক পৰিৱৰ্তন কঢ়িয়াই অনাৰ লগতে বিশ্বত ভাৰতক গুৰুত্বপূৰ্ণ স্বাস্থ্যসেৱা প্ৰদানকাৰী হিচাপে পৰিচয় দিছে। তেওঁ কয় যে ভাৰত এসময়ত প্ৰধানকৈ খুচুৰা বিক্ৰেতা আছিল যদিও এতিয়া দেশে নিজাকৈ উদ্ভাৱন কৰিবলৈ সক্ষম হৈছে। মন্ত্ৰীগৰাকীয়ে কয় যে দেশৰ ঔষধৰ বজাৰখন পূৰ্বৰ তুলনাত উন্নত হৈছে আৰু চৰকাৰে প্ৰযুক্তি নিৰ্ভৰ প্ৰকল্পক সমৰ্থন জনোৱাৰ লগতে গৱেষণাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে।

০০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোৱেলে আজি নতুন দিল্লীত নিউজিলেণ্ডৰ বাণিজ্য আৰু বিনিয়োগ মন্ত্ৰী ট'ড মেক্লেৰ সৈতে এখন বৈঠকত মিলিত হয়। এই বৈঠকত দুয়োগৰাকী নেতাই ভাৰত-নিউজিলেণ্ড মুক্ত বাণিজ্য চুক্তিৰ গুৰুত্বপূৰ্ণ দিশসমূহ আলোচনা কৰে। সামাজিক মাধ্যমযোগে দিয়া এটা পোষ্টত মন্ত্ৰীগৰাকীয়ে দুয়োগৰাকী নেতাৰ এই আলোচনাই উভয় দেশকে উপকৃত কৰিব বুলি প্ৰকাশ কৰে।

০০০০০

বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰালয়ৰ উদ্যোগত আজি নতুন দিল্লীত মধ্য এছিয়া, ইউৰোপ আৰু উত্তৰ আমেৰিকাৰ ৪০গৰাকী সাংবাদিকৰ এটা প্ৰতিনিধি দলৰ সৈতে এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। দেশৰ দ্ৰুত উন্নয়ন বিজ্ঞান প্ৰযুক্তি আৰু উদ্ভাৱনৰ ক্ষেত্ৰত বিশ্বজনীন সহযোগিতাত গুৰুত্ব আৰোপ কৰি এই আলোচনাৰ আয়োজন কৰা হয়। বিদেশ মন্ত্ৰালয়ৰ উদ্যোগত যোৱা ৯ ডিচেম্বৰত ১০-দিনীয়া ভ্ৰমণসূচীৰে এই সাংবাদিকৰ দলটো ভাৰতত উপস্থিত হয়।

০০০০০

প্ৰচাৰ ভাৰতীয়ে কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত কৰা মিউজিক বেণ্ডৰ ত্ৰিলোকৰ সৈতে আকাশবাণী, দূৰদৰ্শন বা ৱেভ্‌ছ নামৰ অ' টি টি প্লেটফৰ্মত বিষয়বস্তু প্ৰচাৰৰ ক্ষেত্ৰত কোনো ধৰণৰ সহযোগিতা কৰা নাই। ৰাজ্যসভাত আজি এটা লিখিত প্ৰশ্নৰ উত্তৰত তথ্য আৰু সম্প্ৰচাৰ ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগানে এই কথা স্পষ্ট কৰি দিয়ে। তেওঁ কয় যে চলিত বছৰ নৱৰাত্ৰিৰ সময়ত ৱেভ্‌ছ অ' টি টি প্লেটফৰ্মকে ধৰি প্ৰচাৰ ভাৰতীৰ নেটৱৰ্কৰ জৰিয়তে কৃত্ৰিম বুদ্ধিমত্তাৰ সৃষ্ট কেইটামান

আধ্যাত্মিক গীত পৰিবেশন হৈছিল। কোনো ধৰণৰ আৰ্থিক বা পুনৰ প্ৰচাৰৰ প্ৰতিশ্ৰুতি অবিহনেই পৰীক্ষামূলকভাৱে এই কামটো কৰা হৈছিল বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০

অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ মন্ত্ৰালয়ে প্ৰধানমন্ত্ৰী বিশ্বকৰ্মা আঁচনিৰ অধীনত অনলাইন বজাৰৰ সুবিধা প্ৰদানৰ উদ্যেশ্যে নতুন দিল্লীত এমাজনৰ সৈতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। এই চুক্তিৰ অধীনত বিশ্বকৰ্মা আঁচনিৰ অধীনত যোগ্য কাৰুশিল্পীসকলে ই-বাণিজ্য মঞ্চৰ জৰিয়তে সুবিধা লাভ কৰাৰ লগতে ইয়াৰ বাবে প্ৰয়োজনীয় অনুমোদন, পঞ্জীয়ন ইত্যাদিৰ ক্ষেত্ৰত মন্ত্ৰালয়ে সহায় কৰিব। ইয়াৰ জৰিয়তে হস্তনিৰ্মিত সামগ্ৰীসমূহ প্ৰচাৰ-প্ৰসাৰ হোৱাৰ লগতে ডিজিটীয় মাধ্যম গ্ৰহণ কৰাৰ ক্ষেত্ৰত কাৰুশিল্পসকল উপকৃত হ'ব। এমাজনৰ সৈতে হোৱা এই চুক্তিয়ে কাৰুশিল্পীসকলৰ সামগ্ৰীসমূহত দৃশ্যমানতা বৃদ্ধি কৰাৰ লগতে সামগ্ৰীসমূহৰ বিক্ৰী বৃদ্ধি কৰিব। উল্লেখযোগ্য যে ২০২৩ চনৰ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী বিশ্বকৰ্মা আঁচনি আৰম্ভ কৰি পৰম্পৰাগত কাৰুশিল্পীসকলৰ দক্ষতা বিকাশৰ বাবে প্ৰশিক্ষণৰ ব্যৱস্থা কৰাৰ লগতে বজাৰৰ সুবিধা প্ৰদান কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছিল।

০০০০০

ভাৰতে ডুবাইত অনুষ্ঠিত পুৰুষৰ **১৯**বছৰ অনুৰ্ধ এছিয়া কাপৰ উদ্বোধনী খেলখনত সংযুক্ত আৰব আমিৰিৰ বিৰুদ্ধে ২৩৪ ৰানত জয়লাভ কৰিছে। খেলখনত আৰৱ আমিৰিয়ে টছত জিকি ভাৰতক প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ জনায়। বৈভৱ সূৰ্যবংশীৰ ৯৫টা বলত **১৭১** ৰাণৰ সহায়ত ভাৰতে নিৰ্ধাৰিত ৫০ অভাৰত ৬টা উইকেট হেৰুৱাই ৪৩৩ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত আৰৱ আমিৰিয়ে ৫০ অভাৰত ৭টা উইকেট হেৰুৱাই মাত্ৰ **১৯৯** ৰানহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। বৈভৱ সূৰ্যবংশীক প্লেয়াৰ অব দা মেচ ঘোষণা কৰা হয়।

০০০০০

**সমাপ্ত**